# দামোদৰ দেৱৰ চমু জীৱনী।

ৰচোঁতা আৰু প্ৰকাশ কৰোঁতা—

শ্ৰীৰতিৰাম দত্ত

পাথৰি ঘাট।

৪৭৮ শঙ্কৰাব্দ ; ১৩ ৩ চন।

*প্ৰথম ভাঙৰণ*

মূল্য /৵০ অনা মাত্ৰ।

# উপহাৰ পিঠি।

শ্ৰী..........................................

.....................চিন স্বৰূপে মহাপুৰুষ দামোদৰ

দেৱৰ এই চমু জাৱনাখনি উপহাৰ দিলোঁ।

তাৰিখ............ } শ্ৰী.......................
ঠাই.............. }

# উছর্গা।

অসমীয়া ভাষা আৰু সাহিত্যৰ

উন্নতিৰ ভবিষ্যত ধৰণি

অসমীয়া ৰাইজক ভ৺িষ্যত

উন্নতিৰ পথ দেখাওঁতা

স্কুল কলেজৰ ছাত্ৰ বৃন্দৰ

হাতত

মহাপুৰুষ দামোদৰদেৱৰ

এই চমু জীৱনীখনী

অৰ্পন কৰিলোঁ।।

# নিবেদন।

মহাপুৰুষ দামোদৰ দেৱৰ জীৱনী লিখিবলৈ যোৱা মোৰ নিচিনা লোকৰ পক্ষে হাত মেলি স্বৰ্গ চুকিবলৈ যোৱাৰ নিচিনা। বিশেষতঃ এই পুথি লিখাৰ আগতে মই দামোদৰ দেৱৰ জীৱনী সম্পৰ্কে একো নাজানিছিলোঁ বুলিলেই হয়। নৰ্ম্মাল স্কুলত পঢ়া সময়ত আসাম ছাত্ৰ সম্মিলনে, টিয়ক ছাত্ৰ সম্মিলনে আৰু নলবাৰী ছাত্ৰ সম্মিলনে পুৰস্কাৰ ঘোষণা কৰি কেবাখনিও ৰচনা প্ৰতিযোগিতাৰ বাবে দিয়ে। পুৰস্কাৰৰ লোভত পৰি মই "কানিৰ অপকাৰীতা আৰু তাৰ নিবাৰণৰ উপায়" শিক্ষা প্ৰণালী আৰু তাৰ গুণ "আসামৰ বৰ্ত্তমান অৱস্থা" আৰু মহাপুৰুষ দামোদৰ দেৱৰ জীৱনী এই কেইখনি ৰচনাত হাত দিওঁ। প্ৰথমখন ৰচনা লিখি "আসাম ছাত্ৰ সম্মিলন"ৰ পৰা ২০ টকা, দ্বিতীয়খন ৰচনা লিখি টিয়ক ছাত্ৰ-সম্মিলনৰ পৰা ১০ টকা আৰু তৃতীয়খন ৰচনা লিখি নলবাৰী ছাত্ৰ সম্মিলনৰ পৰা ৫ টকা পুৰস্কাৰ পাওঁ। কিন্তু দুখৰ বিষয় শৰীৰৰ অসুস্থতাৰ কাৰণে ৪ৰ্থখন অৰ্থাৎ গুৰুদেৱৰ জীৱনীখনি সম্পূৰ্ণকৈ সমাধা কৰিবলৈ নোৱাৰিলোঁ। সেই সময়ত মই শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাৰ তাত থকা পুৰণা বাঁহী, আলোচনী, ঊষা, জোনাকী

আৰু আসাম বান্ধৱ আদি কেৰাখনিও মাহিলী কাকত চাবলগীয়াত পৰোঁ। সেই কাকতবোৰৰ পৰা আৰু শ্ৰীযুত বকৰা দেৱৰ ভাত থকা মহাপুৰুষৰ জীৱনী সম্পৰ্কীয় অইন অইন কিতাপৰপৰা দুই চাৰিটা কথা টুকি, টুকি লৈ মহাপুৰুষৰ জীৱনী লিখিবলৈ আৰম্ভ কৰোঁ। বৰ্ত্তমান মোৰ লিখিত মহাপুৰুষ "শঙ্কৰদেৱৰ সংক্ষিপ্ত জীৱন চৰিত"খনি প্ৰকাশ হোৱাত আৰু তাক শিক্ষা বিভাগৰ গৰাকী মহামান্য স্কুল ডাইৰেক্টৰ মহোদয়ে প্ৰাইজ আৰু লাইব্ৰেৰীৰ পুস্তক শ্ৰেণীত ভুক্ত কৰাত উৎসাহ পাই গুৰুদেৱৰ জীৱন চৰিত খনিও প্ৰকাশ কৰিবৰ ইচ্ছা হল। গতিকে তাৰ লিখিবলৈ বাকী থকা খিনি সমাধা কৰি, মোৰ মৰমৰ সহযোগী শিক্ষক শ্ৰীযুত ভগীৰাম বকৰা হেডমাষ্টৰ মহোদয়ক এবাৰ চকু ফুৰাবলৈ দিওঁ। তেখেতে অনুগ্ৰহ কৰি তেখেতৰ বহুমূলীয়া সময় কাটিকৈ থৈ কিতাপখনিত চকু ফুৰাই দিয়ে; আৰু কিতাপখনি সমাজৰ আগত ডাঙি ধৰিবলৈ মোক উৎসাহ দিয়ে। তেখেতৰ উৎসাহৰ ফলতহে ইয়াক আজি ৰাইজৰ আগত ডাঙি ধৰা হল। এইখিনিতে লিখকে উক্ত হেডমাষ্টৰ মহোদয়ক আৰু যাৰ অনুগ্ৰহত এই কিতাপখনি লিখিবলৈ সমৰ্থ হলোঁ সেইজনা মোৰ মৰমৰ শিক্ষাগুৰু শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাক কৃতজ্ঞতা জনাইছোঁ।

আমাৰ লৰা-ছোৱালী বিলাকে মহাপুৰুষ শঙ্কৰদেৱ দামোদৰদেৱ, মাধৱদেৱ, হৰিদেৱ আদিৰ বিষয়ে জনা উচিত; কিন্তু দুখৰ বিষয় বহুত লৰা-ছোৱালীয়ে মহা-পুৰুষ সকলৰ বিষয়ে একোকে কব নোৱাৰে। লৰা-ছোৱালী বিলাকৰ এই অজ্ঞতা দূৰ কৰাইহে ইয়াক প্ৰকাশ কৰাৰ খাটি উদ্দেশ্য। আশা কৰোঁ প্ৰত্যেক লৰা-ছোৱালীয়ে ইয়াৰ একোখনি লৈ লিখকৰ উদ্দেশ্য সাৰ্থক কৰিব। অসমীয়া ৰাইজে "শঙ্কৰদেৱৰ জীৱন চৰিত খনিৰ নিচিনাকৈ ইয়াকো মৰমৰ চকুৰে চালে আৰু মহামান্য স্কুল ডাইৰেক্টৰ মহোদয়ে ইয়াকো প্ৰাইজ আৰু লাইব্ৰেৰীৰ পুস্তক শ্ৰেণীত ভুক্ত কৰিলে মোৰ সকলো চেষ্টা পৰিশ্ৰম সাৰ্থক হৈছে বুলি ভাবিম। ৰাইজৰ অনুগ্ৰহ পালে ভবিষ্যতে মহাপুৰুষ মাধৱ দেৱৰ জীৱনী প্ৰকাশ কৰিবলৈ আকাঙ্ক্ষা থাকিল। মোৰ অজ্ঞতাৰ কাৰণে কিতাপ খনিত বানানকে আদি কৰি বহুতো ভুল থাকিবৰ সম্ভৱ। পাঠক পাঠিকা সকলে সেইখিনি দোষ ক্ষমা কৰি ভুল দেখুৱাই দিলে অতিশয় কৃতাৰ্থ হম।

মাইনৰ স্কুল, পাথৰিঘাট  
কাতিৰ বিহু, ১৮৪৮ শক  
ইং ১৭।১০।২৬

শ্ৰীৰতিৰাম দত্ত।

# পাতনি।

যেতিয়া তান্ত্রিকবিলাকে উদ্ভব কৰিছিল সাৰ মৰ্ম্ম নাপাই পশুহিংসা সুৰাপান আদি ব্যাভিচাৰ কাম কৰি সমাজক কলুষিত কৰি তুলিছিল; যেতিয়া বৌদ্ধ, যবন আৰু তান্ত্রিকসকলৰ অত্যাচাৰত ভাৰতবৰ্ষৰ পবিত্ৰ হিন্দু ধৰ্ম্মৰ ভাব প্ৰায় লোপ হব লগীয়া হৈছিল; নানা দেৱ-দেবীৰ পূজা সেৱা চলিবলৈ ধৰিছিল; ঠায়ে ঠায়ে হাহ, ছাগলী, পাৰ, ম'হ আদিৰ কথাই নাই নৰবলি প্ৰভৃতি নৃশংস কামবিলাকো চলিবলৈ ধৰিছিল; ৰজাইও শক্তি ভক্তিৰ ওখ সীমাত গিয় হৈ তান্ত্রিক মতত বাজে অইন মতত মন্ত দিওঁতাক অশেষ লাঞ্ছনা দি স্বৰ্গতুল্য অসমক নৰকত পৰিণত কৰি তুলিছিল, সেই সময়ত ঠেঁৰেঙা লগা অসমত শীতৰ পিচত নানা সাজ পাৰ পিন্ধি বসন্ত কাল অহাদি অনেক দিন কলুষিত হৈ থকা অসমত আকৌ বসন্ত কাল দেখা দিলে। শঙ্কৰ দেৱ, দামোদৰদেৱ, মাধবদেৱ, হৰিদেৱ প্ৰভৃতি সুগন্ধি ফুল ফুলিল। ধৰ্ম্ম শাস্ত্ৰ মলয়াই তাৰ গোন্ধ চাৰিও ফালে বিয়পাই দিলে।

যি ধৰ্ম্মই এসময়ত অসম-কামৰূপৰ মানুহক নৈতিক অধঃপতনৰ পৰা ৰক্ষা কৰিছিল, যি ধৰ্ম্ম প্ৰচাৰি "পাৰণ্ড

মৰ্দ্দন" কৰি দেশত পুনৰ সুনীতি আৰু সুআচাৰ প্ৰৱৰ্ত্তাইছিল, যি ধৰ্ম্ম প্ৰচাৰৰ ফলত আজি আমি সভা সমাজত মুখ দেখুৱাব পৰা হৈছোঁ, যাৰ নিগ্ৰহ সমাজৰ দ্বেষ আৰু অইন অইন নানা বাধা বিঘিনী অতিক্ৰম কৰি যিসকল মহাত্মাই বৈষ্ণৱ ধৰ্ম্ম প্ৰকাশ কৰে, যাৰদ্বাৰা নিয়োজিত হৈ ব্ৰাহ্মণ-শূদ্ৰ আচাৰ্য্য সকলে ভিন ভিন ঠাইত বৈষ্ণৱ ধৰ্ম্ম সকল পাতে আৰু কালক্ৰমত সেই আচাৰ্য্য সকলৰ পৰাই নানা সত্ৰ যাছে আৰু উজনীৰপৰা ভাটিৰ কোচবেহাৰলৈ তেওঁলোকৰ প্ৰচাৰিত ধৰ্ম্ম, সকলো বৰ্ণৰ লোকৰ মাজত প্ৰচলিত হয়। যি দুজন মহাত্মাৰ প্ৰসাদত এসময়ত যৱন, ভোট গাৰো, মিৰিয়েও হৰি নাম ধৰ্ম্ম পাই শুদ্ধ হব পাৰিছিল; যি দুই গুৰু শঙ্কৰদেৱ আৰু দামোদৰ দেৱক সকলো জাতৰ লোকেই এক বাক্যে ঈশ্বৰ অৱতাৰ বুলি মানিছিল, সেই অসাধাৰণ ধৰ্ম্ম বীৰ দুজনৰ ভিতৰত অসমীয়া জাতিৰ গৌৰৱৰ সূৰ্য্য গৌতমকুল তিলক মহাপুৰুষ দামোদৰ দেৱৰ বিষয় এই পুথিত আলোচনা কৰিলোঁ। এই মহাত্মাৰ দ্বাৰা প্ৰতিষ্ঠিত সম্প্ৰদায়ৰ লোকসকলে ভেখেতসকলৰ গুৰুদেৱৰ বিষয়ে, যিবোৰ জীৱন চৰিত লেখি থৈ গৈছে, সেইবোৰৰ ছায়াঁলৈ এই জীৱণ চৰিত খনি লিখা হল।

শ্ৰীকৃষ্ণায় নমঃ।

দামোদৰ দেৱৰ চমু জীৱনী।

# গুৰুৰ বংশ পৰিচয়।

পৃথিৱীত যিমানবোৰ মহাপুৰুষ উপজিছে, সকলোৰে জন্মৰ পূৰ্ব্ববিবৰণত যেনেকুৱা কিছুমান ঐশ্বৰিক কাণ্ড দেখা যায়, মহাপুৰুষ দামোদৰ দেৱৰ জন্মৰ পূৰ্ব্ববিবৰণতো তেনেকুৱা কথা বহুতো আছে; যাক জীৱনী পঢ়োতা মাত্ৰেই জানে।

ৰামৰায় দ্বিজে লিখা গুৰু লীলাত আছে, বাসুদেৱ আৰু দৈৱকীয়ে হেনো শ্ৰীকৃষ্ণক পুত্ৰজ্ঞান কৰা বাবে সেই জন্মত সদগতি নহল। সেই কাৰণে প্ৰভুৱে তেওঁলোকৰ ঘৰত আকৌ এবাৰ পুত্ৰৰূপে জন্মি, মোক্ষ দিম বুলি প্ৰতিজ্ঞা কৰিছিল। সেই কাৰণে শ্ৰীকৃষ্ণ আহি শঙ্কৰদেৱৰূপে বাসুদেৱ আৰু দৈৱকীৰূপী কুসুম্বৰ আৰু সত্যসন্ধ্যাৰ ঘৰত আৰু বলভদ্ৰ আহি দামোদৰদেৱ ৰূপে বাসুদেৱ আৰু ৰোহিণী ৰূপী অনন্তানন্দ আৰু সুশীলাৰ ঘৰত জন্ম লয়হি। এক ঈশ্বৰ যেনেকৈ ৰাম, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্ন ৰূপে চাৰি অংশ হৈ জন্ম

ধৰে আৰু বলভদ্ৰ আৰু শ্ৰীকৃষ্ণৰূপে দুই অংশ হৈ জন্ম ধৰে বুলি শাস্ত্ৰত লিখা আছে; সেইদৰে শঙ্কৰ দেৱ আৰু দামোদৰদেৱো একেটা ঈশ্বৰেই অংশ কলা-ৰূপে দুই অংশ হৈ দুই ঠাইত জন্ম লৈ মাক বাপেকক মোক্ষ দিয়ে বুলি তেখেতে উল্লেখ কৰিছে। আৰু শেষত তেওঁ এইদৰে তাৰ প্ৰমাণ দিছে:—

সন্দেহ নকৰা যদি আমাৰ বচন।
বিচাৰি চাহিয়ো তেবে নাৰদী পুৰাণ॥

আকৌ কৃষ্ণদাস দ্বিজে লিখা সন্ত চৰিতত এই বিবৰণটো এনেদৰে দিছে যে, দ্বাপৰৰ শেষত শ্ৰীকৃষ্ণই উদ্ধৱ আদি ভক্তসকলক যি নব বিধ ভক্তি শিক্ষা দিছিল, সেই ভক্তি ধৰ্ম্ম মতে কলিৰ লোকসকলে কিদৰে চলিব লাগে তাকে দেখুৱাবৰ নিমিত্তে প্ৰভু আহি গৌতম বংশৰ সদানন্দৰ ঘৰত জন্ম লয়হি। গৌতম বংশত জন্মাৰ কাৰণো তেখেতে এই দৰে দিছে:—

যেতিয়া কামান্ধ ইন্দ্ৰই, গৌতম মুনিৰ ভাৰ্য্যা অহল্যাক ছলকৰি হৰণ কৰে তেতিয়া গৌতমে অহল্যাক শিলা কৰি ৰাখি, নিজে নিজান গুহাত সোমাই তপস্যা আৰম্ভ কৰিলে। তেওঁৰ প্ৰবল তপত তুষ্ট হৈ শঙ্কৰ ৰেতু ভগৱন্তই দেখা দি তেওঁক কি বৰ লাগে লওঁক বুলি সোধাত গৌতমে অশেষ কাকুতি মিনতি কৰি

এনেদৰে হেনো বৰ খুজিলে :— “মোৰ বংশক যেয়ে বাজে কলঙ্কিত কৰিছে, গতিকে প্ৰভুই যদি অনুগ্ৰহ কৰে তেন্তে মোৰ বংশত জন্ম লৈ মোৰ কুলক উদ্ধাৰ কৰিব লাগে।” সেই কথাত প্ৰভু সন্মত হয়।

গৌতমস্য ঋষেঃ সাধ্বী তপস্যা তুষ্টো কেশৱ।
তৎকুলে জন্মার্থং বৈ বৰং চ দত্তবান প্ৰভু॥
(ভবিষ্যৎ পুৰাণ)

সেই কথা মতেই কলি কালত গৌতম বংশত সদানন্দৰ ঘৰত প্ৰভুই জন্ম গ্ৰহণ কৰেছি।

আকৌ কৃষ্ণদাসে আন এঠাইত এনেদৰে লেখিছে যে, এদিন মহাদেৱ পাৰ্ব্বতীয়ে কৈলাসত বহি কথা পাতি থাকোতে পাৰ্ব্বতীয়ে শঙ্কৰক সুধিলে, “প্ৰভু! কলি কালত মানুহবিলাক মহা পাপী হব; মানুহ বিলাকেনো সদগতি পাব কেনেকৈ?” তেতিয়া মহাদেৱ দাবকাবপৰা শ্ৰীকৃষ্ণক মাতি আনি আলোচনা কৰি এনে দৰে মিমাংসা কৰে যে, তেওঁলোকে কপিত শঙ্কৰ, দামোদৰ প্ৰভৃতি নাম ধৰি জন্ম লৈ লোকক উদ্ধাৰৰ বাট দেখুৱাব। সেইমতে মহাদেৱ শঙ্কৰ নামে, কৃষ্ণ দামোদৰ নামে, হৰি (ব্ৰহ্মাক্ষেত্ৰে) হৰিদেৱ নামে, ব্যাসে ভট্টদেৱ নামে, পুণ্ডৰীকে মাধৱদেৱ নামে আৰু আন আন ভক্তলোকসকল আন আন দেৱতাৰ অংশে জন্ম ধৰে।

শঙ্কৰ শঙ্কৰ প্ৰোক্তঃ কৃষ্ণে দামোদৰস্তথা।
হৰিদেৱো হৰিশ্চৈৱ চৈতন্য পূৰ্ণ প্ৰয়াচ ॥
(ভবিষ্যৎ পুৰাণ)

এই বিলাক কথাৰ সত্যতাৰ নিমিত্তে কৃষ্ণদাসে এইদৰে লেখিছে :—

শুনা সাধু সজ্জনৰ        মিছা নুবুলিবা মোক
কহিলোহো স্বৰূপ বচন।
হৰগৌৰী সংবাদত        আছে ইটো কথা যত
তাক চাই লভিবা প্ৰমাণ ॥

ভট্টদেৱেও কৈলাসত এনেদৰে যুক্তি কৰি আহি ওপোজা বুলি উল্লেখ কৰিছে।

মেৰুৰ শৃঙ্গত বহি কথা আলোচিলা।
সদানন্দ গৃহে আহি জনম ধৰিলা ॥

এইবিলাক কাৰণৰ বিটোৱেই বা নহওক তথাপি শঙ্কৰদেৱ আৰু দামোদৰদেৱৰ কাৰ্য্য পদ্ধতি দেখি কবলৈ পাৰি যে, এওঁলোক একো একোজন ঈশ্বৰ অংশী মহাপুৰুষ।

# উপৰি পুৰুষ।

দ্বিজ কৃষ্ণদাসে সন্ত চৰিতত গৌতমৰপৰা একৈশ পুৰুষৰ পিচত দামোদৰদেৱৰ জন্ম লোৱা বুলি এইদৰে লেখিছে :—

গৌতমৰ পুত্র নাতি অনুক্রমে ভৈলা।
একাধিক বিংশতি পুৰুষ বহি গৈলা॥

কিন্তু ৰামৰায় দ্বিজে লিখা মতে গৌতমৰপৰা একাদশ পুৰুষৰ পিচত দামোদৰদেৱৰ উপজিছিল। তেওঁ তাৰ বংশাৱলী এইদৰে দিছে :—

আদি পুৰুষ গৌতম, গৌতমৰ পুতেক সত্যানন্দ তেওঁৰ পুতেক চিদানন্দ, চিদানন্দৰ পুতেক পৰমানন্দ আৰু তাৰপৰা ক্রমে উমানন্দ, সহজানন্দ, শিবানন্দ, অচ্যুতানন্দ, ভবানন্দ, কৃষ্ণানন্দ, সিদ্ধানন্দ আৰু সদানন্দ। এই সদানন্দ দেৱেই দামোদৰ দেৱৰ পিতৃ। আদিতে এওঁলোকৰ ঘৰ 'গকড়া চলৰ উত্তৰ' ফালে হাজোৰ ওচৰৰ বক্রেশ্বৰ নামে গাৱঁত আছিল। পিতেক সিদ্ধানন্দই ধৰ্ম্মশীল নামে ব্ৰাহ্মণৰ সুশীলা নামে এজনী ৰূপ গুণ সম্পন্না কন্যা পুতেকক বিয়াহ কৰাই দিয়ে;

আৰু ইয়াৰ কিছুদিনৰ পিচতে তেওঁ মানৱ লীলা সামৰে।

ৰত্নেশ্বৰপুৰত সদানন্দই কিছুদিন সুখেৰে কাল কটায়। ইয়াতে তেওঁৰ সৰ্ব্বেশ্বৰ আৰু ৰত্নাকৰ নামে দুটি লৰা ওপজে। ইয়াৰ পিচত তেওঁ তাত কিবা অসুবিধাত পৰি নগাওৰ বৰদোৱাৰ দক্ষিণকালে থকা লক্ষা নামৰ গাৱঁলৈ গৈ তাত বসতি কৰেগৈ। ইয়াতে সদানন্দৰ মহাপুৰুষ শঙ্কৰদেৱৰ লগত পৰিচয় হয় আৰু উভয়ৰ ভিতৰত পৰম বন্ধুত্ব স্থাপন হয়। এই বন্ধুত্ব স্থাপন হোৱাৰ কিছুদিনৰ পিচত সদানন্দ দেৱৰ ঔৰসে সুশীলা দেৱীৰ গৰ্ভত মহাপুৰুষৰ স্থিতি হয়।

বুদ্ধদেৱ স্থিতি হওঁৰ সময়ত শুক্ল বৰণৰ হাতীয়ে সপোনত মায়া দেবীত ঠাই লোৱাৰ দৰে, এদিন সুশীলা দেৱীয়ে ঋতু স্নান কৰি শুই থকাত পুৱতা নিশা সপোনত দেখিলে যে, এজন দীপ্তিমন্ত মহাপুৰুষে আকাশ ৰূপ ধৰি থাকিবলৈ তেওঁত অলপ ঠাই খোজেহি। তেওঁ সাৰ পাইয়ে সপোনৰ সকলো কথা পিতৃদেৱৰ আগত নিৰ্ব্বি কলে। সদানন্দে সপোনৰ কথা শুনি সপোনৰ লক্ষণ ভাল বুলি জানিবলৈ পাই বাতি নোপুৱা পৰ্য্যন্ত ঈশ্বৰৰ কথা আলোচি সুখভাৱে থাকিল সেই দিনা তেওঁলোকৰ মনত এনে ভাব হল যেন সঁচা সচিকৈয়ে ঈশ্বৰ আহি তেওঁলোকৰ ঘৰত আবি-

ৰ্ভাৱ হৈছিল। এই দিনাৰ পৰাই সুশীলা দেৱীয়ে এই মহাত্মাক গৰ্ভত ধাৰণ কৰিলে।

আজি কালিকৈ দহমাহ দহদিন হওঁতে ১৪১০ শকৰ ফাগুনৰ শুক্লা একাদশীৰ দিনা কৃত্তিকা নক্ষত্ৰত [illegible] যোগত বেলা এপৰমান হোৱাত মহাপুৰুষ দামোদৰদেৱৰ জন্ম হ'ল। সদানন্দে পুত্ৰ হোৱা শুনি গা-পা ধুই শুচি-সংযম হৈ পুত্ৰেকৰ মুখ চালেহি। তেওঁ পুত্ৰে-কৰ গাত মহাপুৰুষৰ চিহ্ন দেখি মহানন্দে ব্ৰাহ্মণ, [illegible], দৰিদ্ৰ আদিক দান দক্ষিণা দিলে। শঙ্কৰদেৱেও তেওঁৰ বন্ধু সদানন্দৰ ভুমনীয়া পুত্ৰেক হোৱা খবৰ পাই অতি-শয় আনন্দ পালে। আৰু তেওঁক চাবলৈ সদানন্দৰ ঘৰলৈ আহিল। শঙ্কৰদেৱে সৰা দেখিলত অকস্মাৎ হেনো তেওঁৰ মুখৰপৰা দামোদৰ নাম বাহিৰ হ'ল। সেইকে শঙ্কৰদেৱে সদানন্দক পুত্ৰেকৰ সেই নামকে ৰাখিবলৈ কলে। সদানন্দেও সুখিৰ মনেৰে পুত্ৰেকৰ সেই নামকে ৰাখিলে। শঙ্কৰদেৱৰ প্ৰায় ৫০ বছৰ বয়সত দামোদৰ দেৱৰ জন্ম হয়।

সদানন্দে অতিশয় ধুম ধামেৰে সৈতে দামোদৰ দেৱৰ ক্ৰমে আদ্য বয়সত অন্ন প্ৰাসন আৰু চুৰাকৰণ কৰিলে। বেদ বিহিত মতে ব্ৰাহ্মণক গোধন আদি দান দক্ষিণা দি সন্তুষ্ট কৰিলে। আজি কালিকৈ বালক পূৰ্ণিমাৰ চন্দ্ৰৰ নিচিনাকৈ বাঢ়িবলৈ ধৰিলে।

# মহাপুৰুষৰ শিশুলীলা।

———:#:———

মহাপুৰুষে লাহে লাহে ইঘৰে সিঘৰে গৈ লগৰ লগ-ৰীয়া লৰাবোৰে সৈতে ধেমালি ধুমুলা কৰি ফুৰিবলৈ ধৰিলে। তেওঁ এনে সুগঠন লৰা আছিল যে, বাটৰ বাটৰুৱাইও তেওঁৰ ফালে বলাগি চাই বাট ভুলিছিল। বাপেক মায়েকৰ কথা নকওৱেই গাৱৰ মানুহেও তেওঁৰ মুখৰ পিনে চাই নিজৰ দুখ ভাগৰ ভুলিছিল। শঙ্কৰ দেৱেও মানুহৰ মুখত দামোদৰ দেৱৰ ৰূপ গুণৰ কথা শুনি এইদৰে আনন্দ প্ৰকাশ কৰিছিল বুলি ভট্টদেৱে লেখিছে :—

> লোক মুখে শুনিলন্ত কথা ছাৱালৰ।
> শঙ্কৰৰ ভৈলা অতি হৰিষ অন্তৰ॥

ক্ৰমে গুৰুৰ আঠ বছৰ বয়স হলত সদানন্দে পুতে-কক যজ্ঞ সূত্ৰ দি ব্ৰাহ্মণৰ কুলত তুলি ললে। আৰু বিদ্যা শিক্ষা কৰিবৰ নিমিত্তে কলাপ বল্লভ নামে ব্ৰাহ্মণ ভট্টাচাৰ্য্য এজনৰ হাতত সমৰ্পন কৰি দিলে। পঢ়া অৱস্থাতেই গুৰুৰ মতি গতি পৰমেশ্বৰৰ পিনে ঢাল লয়। তাতে আকৌ সদানন্দে লৰাকালতে গুৰুক লগত লৈ

শঙ্কৰ দেৱৰ ওচৰলৈ গৈ ধৰ্ম্ম বিষয়ক কথা শুনিছিল। দামোদৰেও শঙ্কৰৰ কথাৰ মাধুৰ্য্যত ভোল গৈ প্ৰায় সদাই পিতেকৰ সৈতে আৰু পিচত কোঁতিয়াবা কেতিয়াবা অকলেয়ো শঙ্কৰ দেৱৰ ওচৰলৈ অহা যোৱা কৰিবলৈ ধৰিলে, আৰু সদায় কৃষ্ণ কথা শুনি শুনি তেওঁৰ মন সেইফাললৈ বিশেষকৈ ঢাল ললে। পাঠশালিত তেওঁ গীতা ভাগৱত আদি পঢ়ি শেষ কৰি উঠাত, সদানন্দে পুতেকৰ উপযুক্ত বয়স হোৱা যেন দেখি, পুতেকৰ বিবাহ কাৰ্য্য সম্পন্ন কৰিলে। ইয়াৰ আগতে সৰ্ব্বেশ্বৰ আৰু ৰত্নেশ্বৰৰ বিবাহ কাৰ্য্য শেষ কৰিছিল। এই ৰকমে তিনি পুতেকক সংসাৰ ক্ষেত্ৰত আবদ্ধ কৰি সদানন্দ দেৱ এদিন ইহ সংসাৰৰপৰা বিদায় ললে। তিনিও পুতেকে বেদ বিহিত মতে ব্ৰাহ্মণক দান দক্ষিণা দি সন্তোষ কৰি পিতেকৰ প্ৰেতকাৰ্য্য সমাপন কৰিলে। বিধৱা সুশীলা দেৱীয়ে তিনি পুত্ৰ আৰু চাৰি বধুৰ মুখ নিৰিক্ষণ কৰি স্বামীৰ বিচ্ছেদ যন্ত্ৰণা সহ্য কৰি পুতেক বোৱাৰীয়েক হঁতৰ সুখ দেখিয়ে মনত শান্তি লাভ কৰি থাকিল। কিছুদিনৰ মূৰত সৰ্ব্বেশ্বৰৰ ভাৰ্য্যাৰ মৃত্যু হয়। এওঁৰ কোনো সন্তানাদি নাছিল। সৰ্ব্বেশ্বৰে ঘৈণীয়েকৰ প্ৰেতকাৰ্য্য সমাধা কৰি, বৈৰাগ্য ব্ৰত অৱলম্বন কৰিলে। আৰু তাৰ্থ পৰ্য্যতন কৰিবলৈ গল।

তীৰ্থ পৰ্য্যটন কৰি ঘূৰোতে গঙ্গাৰ পাৰত এওঁৰো ভৱ লীলা শেষ হয়। সুশীলা দেৱী একেৰে স্বামী আৰু বোৱাৰীয়েকৰ শোকত অস্থিৰ হৈ আছিল। তাতে আকৌ পুতেকৰ মৃত্যু খবৰ পালত দিনক দিনে তেওঁৰ শৰীৰ পৰি আহিবলৈ ধৰিলে।

যজ্ঞেশ্বৰৰ স্ত্ৰী দুজনী আছিল। সৰ্ব্বেশ্বৰৰ মৃত্যু অলপ কেইদিন মানৰ পাছতে যজ্ঞেশ্বৰৰ দ্বিতীয় পত্নীয়েও মকুন্দ নামে এটি লৰা এৰি সিফলীয়া হয়। ইয়াৰ কিছুদিন পিচতে যজ্ঞেশ্বৰেও প্ৰথম ভাৰ্য্যা আৰু কৃষ্ণা-নন্দ আৰু মকুন্দ নামে দুটি পুত্ৰ থৈ কালৰ গ্ৰাসত পৰি সিপুৰিলৈ গতি কৰিলে। সুশীলা দেৱীৰ শৰীৰ এনেয়ে পৰো শৰা হৈ আছিল, তাতে আকৌ দ্বিতীয় পুত্ৰ ও বধুৰ শোক পাই এদিনাখন পুত্ৰবধুক কন্দুৱাই ভৱসাগৰৰ পাল সাজকৰি মানৱ লীলা সামৰিলে।

---

## গুৰুৰ কৰ্ম্ম জীৱন।

সুশীলা দেৱী থকাকালত গুৰুৰ ঘৰত সংসাৰৰ যাৱ-তীয় ভাৰ পাকল। গুৰুই সাংসাৰিক লেঠা ভাবি

বিষোৰত পৰিল। এই সময়ত ১৪২৭ শকত আহোম বংশীয় ৰজাই ভূঞাঁসকলৰ ওপৰত বৰ উপদ্ৰৱ আৰম্ভ কৰে। এই উপদ্ৰৱত শ্ৰীশঙ্কৰদেৱে ইষ্ট-মিত্ৰ জ্ঞাতি-কুটুম্ব আৰু শিষ্য সমূহক লগত লৈ ধুৱাঁহাতাৰপৰা ক্ৰমং নৈয়েদি আহি বৰদোৱাত সোমাই গুৰুক লগ ধৰে। কিন্তু গুৰুয়ে মাতৃৰ অশৌচ থকাৰ কাৰণে যাবলৈ নোৱাৰিলে। শঙ্কৰদেৱে গুৰুক যাব নোৱাৰা দেখি শ্ৰেওঁত বিদায় লৈ বৰপেটালৈ যায়। গুৰুৰ একেই মাতৃ ভ্ৰাতৃৰ বিচ্ছেদ শোকত সেই ঠাইত থাকিবলৈ অনিচ্ছা হৈ আছিল, তাতে আকৌ শঙ্কৰদেৱক বৰ-পেটালৈ যোৱা দেখি মাতৃৰ ঊৰ্দ্ধ দৈহিক কাৰ্য্য যথা সময়ত সমাপন কৰি সেই ঠাই এৰিবলৈ দৃঢ় প্ৰতিজ্ঞা হল। আৰু শঙ্কৰদেৱ যোৱাৰ দহ দিনৰ মূৰত ভক্তি-আৰু কৃষ্ণানন্দ আৰু মুকুন্দৰ হতুৱাই নাৱৰ বন্দবস্ত কৰালে। গুৰুৰ যাবতীয় ধন-বস্তু সেই নাৱত বজাই কৰি লৈ সপৰিবাৰে কামৰূপলৈ বুলি নাৱ মেলিলে।

গুৰু সপৰিবাৰে ভটিয়াই আহি পোন প্ৰথমে ভেঁও-লোকৰ আদি গাওঁ বস্কেশ্বৰ পুৰত থাকে। ইয়াৰপৰা গুৰু হাজোৰ মণিকূট পৰ্ব্বতলৈ অহাযোৱা কৰিছিল। ইয়াতে হেনো এদিন সন্ন্যাসীৰূপী নাৰদক গুৰুৱে লগ পাইছিল। আৰু নাৰদেই হেনো গুৰুক ঈশ্বৰ মানৱ

তত্বজ্ঞান শিক্ষা দিয়ে। সেইদিনাৰ পৰাই গুৰুৰ মন ঈশ্বৰৰ ফাললৈ সম্পূৰ্ণকৈ ঢাল খালে। কোনো কোনোৱে নাৰদকে চৈতন্যদেৱ বুলি কয়; কিন্তু চৈতন্যদেৱৰ চৰিতত এই বিষয় কোনো কথা লিখা নাই। নাৰদ বৈকুণ্ঠৰপৰা নামি অহা কথাটো অলিক বা পৌৰাণিক বুলি ধৰিলেও তাৰ যুক্তি থকা এনে ৰকমৰ এটা অনুমান কৰিব পাৰি যে, সেই সময়তো আজি কালিৰ নিচিনাকৈ কেদাৰ মাধৱ আৰু কামাখ্যা আদি তীৰ্থ চাবলৈ সময়ে সময়ে দুই এজন সিদ্ধ ব্ৰহ্মজ্ঞানী যোগী পুৰুষ আহিছিল। যোগী পুৰুষসকলৰ ভিতৰৰ কোনোবা এজনেই গুৰুক জ্ঞান দিয়া যেন মনে ধৰে।

এই সময়ত শঙ্কৰদেৱৰ ৰঙল চুঙত (নিজ পাটবাউসীত) মাধৱদেৱ কলাবাৰীয়া কুচিত আৰু বাম ৰায় নাৰা মাৰিত আছিল। গুৰুৱে শঙ্কৰদেৱৰ খবৰ পাই ৰঙেশ্বৰ পুৰৰপৰা পুনৰ ভটিয়াই গল। কিছুদিনৰ মূৰত গৈ নন্দাগাওঁ পালে। গুৰুৱে তাত বেলো তিনি দিন থাকে। এই নন্দাগাৱঁক বৰ্ত্তমান ননগাওঁ বোলে। ইয়াৰ ওচৰতে দন্দা নামে এখন বিল আছে। বৰপেটাৰপৰা ছয় সাত মাইল মান পূবে বাতিকুৰিহা আৰু বৰহিলা গাৱৰ মাজত এই গাওঁ অৱস্থিত। ইয়াক বৰ্ত্তমানে প্ৰথমৰ ভিঠা বুলি কয়। গুৰুৱে এই ঠাইতে

প্ৰথমে প্ৰবাস খাতা বাৰে সেই নাম হৈছে বুলি বহুতে অনুমান কৰে। ইয়াৰ পিচত গুৰুৱে আকৌ ভটিয়াই গৈ, গয়া জানত তিনি চাৰি দিন মান থাকে। গয়া জানক বহুতে বৰ্ত্তমান বৰিসত্ৰ বুলি অনুমান কৰে। ইয়াৰ পিচত গুৰুদেৱে নাৰামাৰি বিলেৰে অলপ উজাই গৈ ৰামৰায়ৰ ঘাট পায়। বৰ্ত্তমান পাটবাউসী আৰু বৰি সত্ৰৰ মাজতে এই ৰামৰায়ৰ ঘাট আছিল। নাৰামাৰি বিলৰ এক অংশক আজি কালিও ৰামৰায়ৰ কুৰ বোলে। ইয়াৰ এচোৰা আলিকো ৰামৰায়ৰ আলি বোলে। ইয়াতে গুৰুৰ ৰামৰায়ৰ লগত পৰিচয় হয়। ৰামৰায়ে শঙ্কৰদেৱৰ কৰল চুক্তি থকা খবৰ দিয়ে। আৰু বিয়াস পুৰত গুৰুক বসতি কৰিবলৈ কয়। এই কথা মতে গুৰু সেই বিলেৰে আহি মনুখুণ্ডা বিলৰ পূবকালে (বৰ্ত্তমান মঠ থকা ঠাইত) বসতি কৰে। এই বিলৰ পশ্চিম পাৰে মহাপুৰুষ শঙ্কৰদেৱৰ বসতি আছিল। এই বিয়াস পুৰতে গুৰুৰ পত্নীয়ে কন্যা এটি প্ৰসৱ কৰি লোকান্তৰলৈ গমন কৰে। কেই দিন মানৰ পিচতে কন্যাটিয়েও মাকৰ বাটকে লয়। তেওঁ ভাৰ্য্যাৰ প্ৰেতকাৰ্য্য সমাপন কৰি মনত বিৰাগ আনি, বৈৰাগ্য ভাৱ অৱলম্বন কৰি পুনৰ সংসাৰাশ্ৰমত প্ৰবেশ নকৰোঁ বুলি সঙ্কল্প কৰে। আৰু ধৰ্ম্ম চৰ্চ্চা সম্বন্ধে আলোচনা কৰিবলৈ ধৰে।

শুকদেৱৰ পত্নী বিয়োগ হোৱা কথা শুনি মহাপুৰুষ শঙ্কৰদেৱ এদিন শাগুৰি লবলৈ আহে। ইয়াৰ আগতে শঙ্কৰদেৱৰ লগত গুৰুৰ মিলন হৈছিল। এইবাৰ বহুদিনৰ মূৰত তেওঁলোকৰ পুনৰ মিলন হোৱা বাবে পৰস্পৰে অতিশয় আনন্দ অনুভৱ কৰিছিল। আজি বিষাদ মনেৰে শঙ্কৰদেৱে গুৰুৰ সহধৰ্ম্মিনীৰ বিষয় সোধাত গুৰুৱে কলে "ঈশ্বৰৰ ইচ্ছাত গৃহিনীৰ কাল হৈছে।" এই বুলি তেওঁ শোক নকৰি বৰং আনন্দহে প্ৰকাশ কৰিছিল। ঈশ্বৰত এনে সুদৃঢ় বিশ্বাস দেখি ভক্ত কুলমনি শঙ্কৰদেৱে শুকদেৱক ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ অনুৰোধ কৰে। সেই কথাত শুকদেৱো মান্তি হয়। গুৰু লীলাত এই বিষয় এনেদৰে লিখিছে।—

আপুনি সৰ্ব্বজ্ঞ কি কম তোমাক
মনস্থিৰ কৰিয়োক।
সুধৰ্ম্মক চাই লোকক কৃপাই
ভক্তি ধৰ্ম্ম ৰাখিয়োক॥
হেন বাক্য শুনি বোলন্ত আপুনি
উচিত তোমাৰ বাক্য।
আমাৰ মনত আচয় সৰ্ব্বথা
কৃষ্ণ কথা কহিবাক॥

কোনোৱে কয় যে, শুকদেৱে শঙ্কৰ দেৱত শৰণ লৈছিল; কিন্তু ওপৰত লিখা কথাত বাজে কোনো

জীৱনী পুথিতেই শঙ্কৰদেৱে গুৰুক শৰণ কৰোৱা সম্বন্ধে একো প্ৰমাণ পোৱা নাযায়। গতিকে গুৰুই কেতিয়াও শঙ্কৰদেৱত শৰণ লোৱা নাই। শৰণ লোৱা হলে নিশ্চয় তাৰ উল্লেখ থাকিলহেঁতেন।

---

## গুৰুৰ বিশ্বপ্ৰেম।

গুৰু উদাসীন হোৱা সময়ত হৰিদেৱ আতৈৰ সত্ৰত আছিল। আতৈৰ সত্ৰ বৰ্ত্তমান ব্ৰহ্মপুত্ৰৰ বুকুত লীন হৈগেছে। আজিকালি বৰপেটাৰ প্ৰায় আঠ মাইলমান পূবে চেঙা আৰু বাহমকুছি থাকৰ কিছু ওচৰতে নতুন আতৈৰ সত্ৰ হৈছে। হৰিদেৱ আতৈৰ সত্ৰখন বিয়াল পুৰলৈ (পাট বাউসীলৈ) [illegible] কৰা কৰিছিল। বিয়ালপুৰৰ আন নাম পাট বাউসী হয়। সেই সময়ত শঙ্কৰদেৱ, দামোদৰদেৱ, মাধৱদেৱ, আৰু হৰিদেৱ এই চাৰিজন গুৰুৱে একেলগে বহি ধৰ্ম্মালোচনাত কাল কটাইছিল। একজনে প্ৰশ্ন কৰিলে আন একজনে তাৰ উত্তৰ দি সংশয় ছেদ কৰিছিল। চাণ্ডাল, [illegible] দলে দলে মানুহ আহি [illegible] কৰতাল দিয়াৰ নিচিনাকৈ ধৰ্ম্ম [illegible] গুৰুক বেঢ়িছিলহি। মাধৱ

ধ্বনিয়ে কাণত তালমাৰি ধৰিছিল। তেতিয়া শঙ্কৰেও দামোদৰৰ ঠাইত আৰু দামোদৰেও শঙ্কৰৰ ঠাইলৈ গৈ ধৰ্ম্ম বিষয়ে আলোচনা কৰিছিল। গুৰুদেৱে ধৰ্ম্ম শিক্ষা ও প্ৰচাৰ কৰা সম্বন্ধে গুৰু চৰিত্ৰত এইদৰে লিখিছে ঃ—

ভাগৱত ধৰ্ম্ম    অতি অনুপাম
প্ৰবৰ্ত্তাইলা মহামতি।
যাহাৰ শ্ৰৱনে    জন্ম বন্ধ গুচে
নাবাছে জাতি অজাতি॥
বৈকুণ্ঠৰ শাস্ত্ৰ    জানা ভাগৱত
দামোদৰ ৰূপে হৰি।
আপুনি পঢ়িয়া    লোকে প্ৰচাৰিলা
শুনা সবে কৰ্ণ ভৰি॥

এই পবিত্ৰ ভাগৱত ধৰ্ম্ম পোন প্ৰথমে তেওঁ নিজ ভতিজা মুকুন্দৰ আগত প্ৰকাশ কৰে; আৰু বায়ৰাম নামে ব্ৰাহ্মণ একজনক শৰণ ধৰ্ম্ম দি শিষ্য কৰি লয়; এই সৎ আৰু সাধু শিষ্য জনৰ অনুৰোধ আৰু সাহায্যৰ মতেই গুৰুৱে পোন প্ৰথমে পাটবাউসীত সত্ৰ স্থাপন কৰে। ইয়াতে থাকি গুৰুৱে মানুহক নানা প্ৰকাৰ উপদেশ দিবলৈ ধৰিলে। গুৰুৰ বাণী অতিশয় মধুৰ আছিল; আৰু কথা কওঁতে গুৰুৰ মুখত সদায় মিচিকীয়া হাঁহি জিলিকিছিল। কোনো কথাকে এবাৰ ভিন্ন দুবাৰ তেওঁ নকৈছিল আৰু যিমান দূৰ পাৰে কথাবোৰ বাহুল্য নকৰি

সম্খেপে কৈছিল। তেওঁৰ কথা শুনিলে মানুহৰ তেওঁৰ ওচৰৰ পৰা উঠি যাবলৈ ইচ্ছা নহৈছিল। গুৰুই প্ৰতিদিনে দ্বাদশ প্ৰসঙ্গৰ দ্বাৰা পৰমেশ্বৰৰ গুণ কীৰ্ত্তন আৰম্ভ কৰি-ছিল। এইবিলাক গুণশীল চৰিত্ৰই হাজাৰ হাজাৰ মানুহক আকৰ্ষণ কৰি গুৰুক শৰণাপন্ন কৰাইছিল। শঙ্কৰদেৱে মাজে সময়ে পাটবাউসীলৈ গৈ মন্দৰ হৰিবেৰে গুৰুৰ সৎকাৰ্য্যত উৎসাহ দিছিলগৈ।

পাটবাউসীয়ে গুৰুৰ প্ৰথম আৰু প্ৰধান সত্ৰ। ইয়াত গুৰুৰ ঠাইত শৰণ লৈ বাৰজন শিষ্যই পাৰিষদৰূপে সদায় গুৰুক উপসা কৰিছিল। সেই বাৰজনৰ নাম যথা :— ৰামৰায়, কৃষ্ণানন্দ, ৰামানন্দ, হৰি, ৰঘুনাথ, জগন্নাথ, ৰামাদাস, বিষ্ণুদাস, পয়োনিধি, ৰাতুলচৰণ, মধু আৰু পৰমানন্দ। এইদৰে ক্ৰমাৎ অসংখ্য ব্ৰাহ্মণ আৰু আন আন জাতিয়েও গুৰুৰ চৰণত শৰণ লবলৈ ধৰিলে। লগে লগে গুৰুৰ যশস্যাও চাৰিও পিনে বিয়পি পৰিল। তেখা পাৰ্ত্ত বৈকুণ্ঠ নামে এজন সৎ ব্ৰাহ্মণ সংস্কৃত শাস্ত্ৰত অগাধ পণ্ডিত আছিল। তেওঁ গুৰুদেৱৰ ধৰ্ম্ম প্ৰচাৰ কৰা কথা শুনি গুৰুদেৱৰ ওচৰলৈ আহে। আৰু কিছুদিন গুৰুদেৱে সৈতে ভাগৱত শাস্ত্ৰ পাঠ কৰিবলৈ ধৰে। তেওঁ গুৰুৰ মুখে ভাগৱত শাস্ত্ৰৰ ব্যাখ্যা শুনি গুৰুৰ ঐশ্বৰিক শক্তিৰ আকৰ্ষণত ভোল গৈ গুৰুৰ শিষ্যত্ব স্বীকাৰ কৰে। গুৰুৱে এওঁক প্ৰথমে বুৰুনগৰ

সত্রৰ ভাগৱতী পাতে; তাৰ পিচত পাটবাউসীৰ ভাগৱতী পাতে আৰু শেষত গুৰুৰ অন্তিম সময়ত এক-কেই গুৰুৰ পিচৰ অধিকাৰী পাতে। এওঁ বৰনগৰত থাকোঁতেই গুৰুৰ আদেশ মতে সংস্কৃত ভাগৱত শাস্ত্ৰ অসমীয়া পদ্যলৈ ভাঙনি কৰে।

---

## ধৰ্ম্ম বিস্তাৰ।

গুৰুৱে চাৰি হালত চাৰিজন আচাৰ্য্য পাতি, পবিত্ৰ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আচাৰ্য্যসকলক আদেশ কৰে। উজনীৰ বংশীগোপাল নামে এজন ব্ৰাহ্মণৰ লৰাই গুৰুত গৈ শৰণ লয়। গুৰুৱে এওঁক উজনি খণ্ডৰ ধৰ্ম্মাধিকাৰী পাতে। আৰু উজনি খণ্ডত সত্ৰ স্থাপন কৰি লোকক ধৰ্ম্ম উপদেশ দিবলৈ আদেশ কৰে। বংশীগোপালে কিছুদিন তাত গুৰুৰে সৈতে থাকি ধৰ্ম্ম বিষয়ে আলোচনা কৰে। পিচত লোকক ধৰ্ম্ম উপদেশ দিবলৈ দিয়া গুৰুৰ আদেশমতে উজনিলৈ গৈ উজনিত আউনিআটি আদি সত্ৰ স্থাপন কৰে।

পশ্চিমে কোচবেহাৰ অৰ্থাৎ ঠাইলৈ কমলাকান্ত আচাৰ্য্য পাতি পঠায়। এওঁ গুৰুৰ আজ্ঞা পালন কৰি কোচ-

সেহাৰত দামোদৰপুৰ, বৈকুণ্ঠপুৰ আদি সত্ৰ পাতি নাম ধৰ্ম্ম প্ৰচাৰ কৰে।

উত্তৰে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে ভগবানদেৱে গুৰুৰ আদেশ শিৰোগত কৰি গোবিন্দপুৰ, কচুনা আদি সত্ৰ পাতি নাম ধৰ্ম্ম বিলাই।

দক্ষিণে ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে সত্তদেৱে গৈ গুৰুৰ আজ্ঞামতে তামৰঙা, নাহিৰা আদি সত্ৰ স্থাপন কৰে। এই চাৰি সীমাৰ কেন্দ্ৰ ঠাই পাটবাউসীত, ভগৱতাচাৰ্য্য ভট্টদেৱৰ (বৈকুণ্ঠৰ নামেই শেষত ভট্টাচাৰ্য্য বুলি জনাজাত হয়) মুখ্য ধৰ্ম্মৰ শালা স্থাপন কৰে।

চাৰিও আচাৰ্য্য মাজে ভট্টদেৱ সত্ত।
নক্ষত্ৰ মণ্ডলে যেন শশী প্ৰকাশন্ত ॥ (গুৰুলীলা)

বৰ্ত্তমান চাউলখোৱা নদীৰ পাৰত ব্যাসকুছি নামে ঠাইত মহাত্মা ভট্টদেৱে এখন সত্ৰ পাতে। কামৰূপৰ ভিতৰত তেওঁ পাতা সত্ৰ এই খনেই প্ৰধান। আজিও ভট্টদেৱৰ বংশই তাত ধৰ্ম্ম পালি আছে। যোৰা বন্ধুৰ লিখা জনত দিয়া পদ কেইফাকিৰ পৰাই দামোদৰী সম্প্ৰদায়ৰ আচাৰ্য্য সকলৰ বিষয়ে কিছু আভাষ পোৱা যায়।

দেৱ দামোদৰ গুৰু। সুবৰ্ণৰ হৈলা মেৰু ॥
পূৰ্ব্বদিশে বংশীদেৱ। সদা ৰাক কথা সেৱ ॥
দক্ষিণত সত্তদেৱ। অবিৰত কৰা সেৱ।
বলদেৱ পশ্চিমত। সদা হৈলা অনুগত ॥

ভগৱান উদ্ধৱত। দামোদৰ অনুগত ॥
সুপাৰ্শ্ব গিৰিৰ সম। ভাগৱত নিৰুপম ॥
শ্ৰীমন্ত পৰমানন্দ ॥ জীৱৰ ছিৰন্ত বন্ধ ॥
ভাগৱত ভট্টাচাৰ্য্য। ভাগৱত বৈলা আৰ্য্য ॥
মেৰুমূলে বসিলন্ত। ভাগৱত সদা কন্ত ॥
ভাগৱত পঞ্চানন। ভাগৱত বিচক্ষণ ॥
প্ৰভুৰ মানিয়া মত। শুনাৱন্ত ভাগৱত ॥

এই সময়ত বৰপেটা অঞ্চল কোচ ৰজা পৰীক্ষিতৰ অধীন আছিল। এওঁৰ ৰাজধানী আছিল বিজয় নগৰ। কাৰো কাৰো মতে বৰ্ত্তমান বিজনীয়ে বিজয় নগৰ আৰু কাৰো কাৰো মতে কামৰূপৰ বৰ নগৰ, খিলাখাৰ আদি ঠাইকে বিজয় নগৰ বুলি কয়। যেতিয়া গুৰুদেৱৰ ধৰ্ম্ম প্ৰচাৰৰ কথা চাৰিওফালে বিদিত হবলৈ ধৰিলে, তেতিয়া পৰশ্ৰীকাতৰ কামেশ্বৰ নামে এজন সন্ন্যাসীৰ আৰু শিৱ-ৰাম নামে এজন দৈৱজ্ঞৰ গাৱে সহিৰ মোৱাৰা হল। এওঁলোক ৰজাৰ বৰ প্ৰিয় পাত্ৰ আছিল। সুয়োকমে ৰজাৰ ওচৰত গৈ খল লগালে যে, "দামোদৰ নামে বৈষ্ণৱ বেশধাৰী ব্ৰাহ্মণ এজনে কামৰূপৰ বৰপেটাত দুৰ্গাপূজা ছাগবলি আদি উঠালে। সকলো লোকৰ মাজত এক শৰণ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰি সকলোকে পিতৃ-মাতৃৰ শ্ৰাদ্ধ নকৰা, গঙ্গা আদি তীৰ্থ নমনা আৰু আন আন দেৱ দেৱী সুপূজা অনাচাৰী কৰিলে। গতিকে খাই-

জব প্ৰজাই এনেবিলাক অধৰ্ম্ম কৰাৰ ফলত ৰজাৰ ৰাজ্যত অমঙ্গল ঘটিব পাৰে। ৰজাই এঁইলোক দুজনৰ কথা 'পতিয়াই গুৰুদেৱৰ ওচৰলৈ দূত পঠিয়াই কোৱাই পঠালে যে, তেওঁ যদি তেওঁৰ সত্ৰত বলি কাটি দুৰ্গা পূজা কৰিবলৈ সম্মত নহয় তেন্তে তেওঁক মোৰ ওচৰলৈ লৈ আহিবা। দূতে গৈ গুৰুক ৰাজআজ্ঞা জনালত গুৰুৱে জনত লিখা দৰে তেওঁৰ উত্তৰ দিলে।

শুনিয়োক ৰাজদূত আমাৰ বচন।
তিনিও লোকৰ যিটো লক্ষ্মী নাৰায়ণ ॥
তাত পৰে আন কাক পাৰো পূজিবাক।
বলিৰ লগত যদি কাটয় আমাক ॥
মোৰ গল ওপৰ বলিৰ গল তল।
কাট যদি আছয় তোহোৰ গাৰে বল ॥
ৰজাৰ পাশক যাইবো নকৰিবো পূজা।
হৰিবিনে আমাৰ আছয় কোন দুজা ॥

(গুৰুলীলা)

দূতৰ আগত এইদৰে কৈ গুৰুদেৱ বিজয় নগৰলৈ যাবলৈ সাজু হল। ইয়াকে দেখি তেওঁৰ শিষ্য সকলে কলে যে, "গুৰু আপুনি যাবলৈ নালাগে আমি বলি কাটো।" এই কথা শুনি গুৰুৱে খণ্ডতে তাৰ উত্তৰ এইদৰে দিলে :—

বিষ্ণু বিষ্ণু বুলি প্ৰভুই দিলা সমিধান।
কিনক ইবোল বোলা চাণ্ডাল সমান ॥

আমাৰ মঙ্গল তোমা বলিক কাটিবা।
আমি কেনে এৰাইলোঁ ইকথা নকবা।
ৰজাৰ পাশক যাওঁবো যেহি লাগে হৌক।
পালিবা সত্ৰক মেৰে দয়া আছে মোক॥

এই কথাকে যাঠিজন কেৰণীয়া ভকত আৰু সেই বাৰজন পাৰিষদে সৈতে গুৰুই বিজয় নগৰলৈ যাত্ৰা কৰিলে। কোনোৱে কোনোৱে ১৪৯৪ শকত গুৰুক পৰীক্ষিত ৰজাই ধৰাই নিওঁৱা বুলি কয়; কিন্তু এইটো কোনো মতেই সম্ভৱ হব নোৱাৰে। যিহেতু পৰীক্ষিত ৰজা ৰাজপ্ৰাপ্ত হয় ১৫১৫ শকত, এইটো এটা সত্য ঘটনা। গতিকে ১৪৯৪ শকত ধৰাই নিওৱা একেবাৰেই অসম্ভৱ। ১৫১৫ শকত বা তাৰ অলপ পিচতহে গুৰুক পৰীক্ষিত ৰজাই বিজয় নগৰলৈ নিওৱা সম্ভৱ হয়। গুৰুদেৱ গৈ বিজয় নগৰ পালত পুৰুষে ৰজাক বাতৰি দিলে। ৰজাই গুৰুক বিচাৰ নোহোৱা দিনলৈ কোনো এঠাইত বাহা কৰি থাকিবলৈ আজ্ঞা দিলে। তেতিয়া গুৰুৰ শত্ৰু কামেশ্বৰ সন্যাসীয়ে গুৰুৰ প্ৰতি কপত মিত্ৰতা দেখুৱাই, নিজৰ মেৰাজনৰ ওচৰৰ এটা ঘৰত গুৰুক ৰাখিবলৈ বুলি ৰজাৰ পৰা অনুমতি ললে। কামেশ্বৰে গুৰুক নি কপত ৰত্ন সমাদৰ দেখুৱাই গুৰুৰ ছিদ্ৰ চাই, মিছা দোষ উলিয়াই গুৰুৰ কলঙ্ক বাহিৰ কাঢ়িবলৈ পাৰিম বুলি ভাবিছিল। আৰু তাৰ অৰ্থে

ৰজাৰ আগত ভালেমান কুট কথা লগাইছিলে। সেই কথাকে সঁচা মানি পৰীক্ষিত কেবাজনো পণ্ডিতক গোটখুৱাই এখনি সভা পাতি গুৰুক সেই সভালৈ নিয়ালে। আৰু গুৰুৱে শাস্ত্ৰৰ মত মানে নে নেমানে এই বিষয় পণ্ডিতসকলৰ দ্বাৰাই পৰীক্ষা কৰালে। কিন্তু সেই মহা মহোপাধ্যায় সকলেও শাস্ত্ৰৰ বিচাৰত গুৰুৰ কোনো ছিদ্ৰ পেলাবলৈ নোৱাৰি সাধুবাদ দিবলৈ বাধ্য হল।

সেই সময়ত বিজয় নগৰত চৈতন্য দেৱৰ মতাৱলম্বী এজন বেদজ্ঞ ব্ৰাহ্মণ বাস কৰিছিল। বেদত পাৰ্গত আছিল দেখি তেওঁক সৰ্ব্বসাধাৰণে "বেহুৱা" বুলি মাতিছিল। তেওঁ গুৰুৰ অসাধাৰণ গুণত মুগ্ধ হৈ, গুৰুক ঈশ্বৰ জ্ঞান কৰি তেওঁৰ আশ্ৰমত এবছৰ কাল ৰাখিলে। এই ব্ৰাহ্মণৰ আশ্ৰমত থকা সময়তো গুৰুৱে ভকতসকলোৰে সৈতে নাম প্ৰসঙ্গ কৰি জাতি অজাতি নিৰ্বিচাৰি সকলোকে হৰি নাম বিলাবলৈ ধৰিলে। পৰিশেষে ইয়াতো বহুলোক গুৰুৰ শিষ্য হল। আনকি ৰজাৰ অন্তঃপুৰৰ ৰাণীসকলেও গুৰুৰ ওচৰলৈ গৈ শৰণ লবৰ নিমিত্তে ব্যস্ত হৈ পৰিল; আৰু এদিন ৰজা মৃগয়ালৈ যোৱাত সুযোগ পাই ৰাজ মহিষীসকল আহি গুৰুৰ প্ৰসঙ্গত যোগ দিলেহি। এই চেলুকে পাই কাৰেশ্বৰ সন্ন্যাসী আৰু শিৱৰামে ৰজাক এই ঘটনা দেখুৱালত

ৰজা খড়্গে বলীয়া হৈ গুৰুক তেওঁৰ ৰাজ্যৰপৰা বাহিৰ কৰি দিবলৈ অনুচৰক আদেশ দিলে। গুৰুৱে ৰাজ আজ্ঞা মানি পৰীক্ষিতৰ ৰাজ্যৰ সীমা সোনকোষ নদী পাৰ হৈ কোচবেহাৰলৈ বুলি যাত্ৰা কৰিলে।

বেহাৰৰ লক্ষ্মীনাৰায়ণ ৰজাই এই বাতৰি পাই, হাতমেলি স্বৰ্গ চুকি পোৱা যেন হল। আৰু মহাপুৰুষক মাদৰি লিবলৈ মানুহ পঠিয়ালে। সোনকোষ পাৰ হৈ লক্ষ্মীনাৰায়ণৰ ৰাজ্যলৈ যাওঁতে বাটতে গুৰু সশিষ্যে-এঘৰত আলহি থাকিল। সেই মানুহ ঘৰে হাঁহ, কুকুঁৰা, ছাগলি আদি পুহিছিল দেখি গুৰুখেৰে গৃহস্থৰ ঘৰত অন্ন গ্ৰহণ কৰিবলৈ ইচ্ছা নকৰিছিল। গৃহস্থে বৰকৈ কাকুতি মিনতি কৰি [illegible] গুৰুজনে কলে যে "যদি তুমি হৰিত শৰণ লৈ হাঁহ, কুকুৰা, ছাগলি আদি বাহিৰ কৰি দিয়া তেনেহলে তোমাৰ ঘৰত খোৱা লোৱা কৰিব পাৰোঁ; কিন্তু যদি ইয়াকে নকৰা তেনেহলে তোমাৰ ঘৰত নোখোৱা-নোলোৱাকৈ বাটিতো পৰি থাকি ৰাতি পুৱা গুচি যাম।" গৃহস্থে সেই কথা শুনি গাহৰি, কুকুৰা আদি ঘৰৰপৰা দূৰ কৰি দিলে; আৰু চক হাবি পেলাই গুৰুৰ ওচৰত শৰণ লৈ ভকত হ'ল। তেতিয়া গুৰুৱে হৰিষ মনেৰে ভাত খোৱা লোৱা কৰিলে। তাৰ পিচত গুৰুৱে সেই গৃহস্থৰ ঘৰতে দিনচেৰেক মান থাকিল। লক্ষ্মীনাৰায়ণ ৰজাৰ কটকি আহি ইয়াতে

গুৰুক লগ পায়। আৰু ৰজাৰ প্ৰাৰ্থনা গুৰুক জনায়। গুৰুৱে ৰংমনেৰে সন্মত হোৱাত গুৰুক ৰজাৰ নগৰলৈ লৈ গল। গুৰু গৈ পালত ৰজাই গুৰুক যথেষ্ট সন্মান কৰি তেওঁৰ ৰাজ্যত থাকিবলৈ কলে। ৰজাই গুৰুক থাকিবৰ নিমিত্তে গুৰুৱা চাপত সত্ৰ কৰাই দিলে। সেই সত্ৰৰে নাম শেষত গৈ বৈকুণ্ঠপুৰ হয়। পৰম সাধুৰূপী গুৰুদেৱৰ পৰীক্ষিতৰ ৰাজ্য এৰাৰ পিচত তেওঁৰ ৰাজ্যত ভূমি কম্প আদি বহুত দৈৱীক অঘটন ঘটনা ঘটে; আৰু ১৫১৮ শকত লক্ষ্মীনাৰায়ণ ৰজাই দিল্লীৰ সম্ৰাট আকবৰত শৰণাগত হোৱাত, আকবৰৰ সেনাই যুদ্ধত জিকি পৰীক্ষিতক বন্দিকৈ নিয়ে। তেতিয়াৰ পৰাই পৰীক্ষিতৰ ৰাজ্য মোগলৰ খাচ দখললৈ যায়।

## গুৰুৰ বৈকুণ্ঠ প্ৰয়াণ।

বেহাৰত গুৰুদেৱৰ সাত বছৰ আছিল। ইয়াত থাকোতে এদিন গুৰুৱে শুনিবলৈ পালে যে, গুৰুৰ ভতিজাক কৃষ্ণাচাৰ্য্যে পাটবাউসীত তেওঁক ভাগৱতী নাপাতি ভট্ট দেৱক পড়া খাবে, তেওঁ যাকে সময়ে ভট্টদেৱৰ লগত কাজিয়া কৰে। এই বাতৰি পাই গুৰুৱে শিষ্যবিলাকৰ

গুণাগুণ পৰীক্ষা কৰিবৰ মনেৰে তেওঁৰ শিষ্য-ভকত সকলৈ আৰু আত্মীয় স্বজনসকললৈ চিঠি দিয়ে। চিঠিত এইদৰে হেনো অনুৰোধ কৰিছিল :— "তেওঁ-লোকে যেন উপাদেয় সুখাদ্য সংগ্ৰহ কৰি লৈ আহি তেওঁক ভোজন কৰাই অন্তিম কালত তৃপ্তি দি যায়হি।" এই অনুৰোধ বাৰ্ত্তা শোৱাৰ পিচত দেশ বিদেশৰপৰা ভকত, শিষ্য আৰু আত্মীয় স্বজনসকলে ৰুচি অনুসাৰে লাৰু, পিঠা আদি নানা প্ৰকাৰ তৃপ্তিকাৰক সুখাদ্য সংগ্ৰহ কৰি লৈ গুৰুৰ সমীপত উপস্থিত হয় গৈ। সকলোৰে এইদৰে সুখাদ্য লৈ যোৱা শুনি গুৰুদেৱে তেওঁলোক এটাইকে মাতি নি একত্ৰ কৰি লৈ, তেওঁলোকৰ সংগৃহীত সুখাদ্যবোৰ আনিবলৈ কলে। এই কথাত সক-লোৱে আগ্ৰহান্বিত হৈ আপোন আপোন জোলোঙাৰপৰা সুখাদ্যৰ টোপোলা উলিয়াই গুৰুক ভেটিলে। কিন্তু ভট্টদেৱে খাদ্যৰ টোপোলাৰ পৰিবৰ্ত্তে দ্বাদশস্কন্ধ ভাগৱতৰ সাৰ কাঢ়ি চাৰিটি শ্লোকেৰে এখনি সংক্ষেপ ভাগৱত ৰচনা কৰি নিছিল; গুৰুৰ নিৰ্দেশমতে তেওঁ তাকে ভেটিলে। পিচত গুৰুৱে সকলোতকৈ সৰহ পাই, ভট্টদেৱক তেওঁ লিখি নিয়া ভাগৱতখনি পঢ়ি শুনাবলৈ দিলে। তেওঁ ৰচিলত গুৰুৱে শুনি আনবিলাকৰ উপাদেয় বস্তুতকৈ ভট্টদেৱৰ বস্তু অতিশয় সোৱাদ বুলি কৈ নিজৰ গলৰপৰা স্বকীয় মালা উন্মোচন কৰি আঁং

দেহৰ মৃতক স্থাপন কৰিলে। আৰু সকলোকে শুনাই সম্বোধন কৰি কলে—"মই অন্তিম সময়ত কথা ভাগৱত শুনি পৰম তৃপ্তি লাভ কৰিলোঁ; তোমালোকৰ ওচৰত মই যি তৃপ্তিকৰ খাদ্য খুজিছিলোঁ সি অন্য পাৰ্থিব খাদ্য নহয়। তোমালোকে বৃথা পৰিশ্ৰম কৰি লাৰু, পিঠা আদি পাৰ্থিব খাদ্য সংগ্ৰহ কৰি লৈ আহিছিলা। সংসাৰ বৈৰাগী লোকৰ পক্ষে অন্তিম কালত কোনো পাৰ্থিব বস্তুৱেই তৃপ্তি কাৰক হব নোৱাৰে। এই সময়ত যি বস্তু পান কৰি লোকসকল তৃপ্তি হব পাৰে তাক ভট্টদেৱে মোক আৰু তোমালোকক পান কৰি শুনালে। যাক শুনি সকলো ভৱৰোগী পৰম তৃপ্তি লাভ কৰি ভৱ সাগৰৰপৰা মুক্ত হব পাৰে, যি ভাগৱত শাস্ত্ৰ বৈষ্ণৱসকলৰ একমাত্ৰ পৰম ধন, জ্ঞানী অজ্ঞানী সকলোৱে সেই ৰসময় শাস্ত্ৰৰ ভৱ পাৰ পৰাকৈ ভট্টদেৱে তাক কথা ছন্দ ভাঙনি কৰি শুনালে। মোৰ এতিয়া অন্তিম সময়; গতিকে তোমালোকৰ মাজত, মোৰ প্ৰতিনিধি স্বৰূপে ভট্টদেৱক ৰাখিলোঁ। আজিৰপৰা তেওঁ পাটবাউসী সত্ৰত ধৰ্ম্মাধিকাৰীৰূপে থাকি বৈষ্ণৱ ধৰ্ম্মৰহঁকে উপদেশ দিব। মোৰ অবৰ্ত্তমানে সকলোৱে তেওঁৰপ্ৰতি অনুৰক্ত [illegible] হৈ মোৰ তুল্য শ্ৰদ্ধা, ভক্তি ও সন্মান কৰি ধৰ্ম্ম পালন কৰিবা। আজিৰপৰা ভট্টদেৱে অধিকাৰীৰ কাম কৰিব, আৰু কৃষ্ণদেৱে ভাগৱতীৰ কাম কৰিব।

গুৰুৰ উপদেশ মতে সকলোৱে সেইদিনাৰপৰা ভক্তি-দেৱক আচাৰ্য্য বুলি স্বীকাৰ কৰিলে। সেই দিনাৰপৰা তেওঁ পাটবাউসী সত্ৰৰ ভাগৱতী গুছি অধিকাৰী হল। এই কথাত সকলো ভক্ত ও শিষ্য মণ্ডলিয়ে সন্তোষ পালে; কিন্তু গুৰুৰ ভতিজাক কৃষ্ণাচাৰ্য্যে মনত মৰণান্তিক বেজাৰ পাই, পাটবাউসী সত্ৰৰ লগত কোনো সম্পৰ্ক নাৰাখি উজাই আহি বৰ্ত্তমান বজালি অঞ্চলত পোমৰা নামে এখন সত্ৰ পাতে। পোমৰা শব্দৰ অৰ্থ এই পোক মৰা অৰ্থাৎ পৈত্ৰিক ধৰ্ম্মৰ স্বত্ব উঠাই আনক দিয়া। এই সত্ৰখন এতিয়া পোমৰা নদীৰ মাজতে লীন গৈছে। নদীৰ নামো সেই নাম অনুসৰিয়ে হৈছে।

গুৰুদেৱ কোচবেহাৰত সাত বছৰ থাকে বুলি আগেয়ে কোৱা হৈছে।, শেষত ১৫২০ শকত ১১০ বছৰ বয়সত বহাগৰ আউসীৰ শেষত প্ৰতিপদ তিথিত, বিষয় বাসনা ত্যাগি পৰম কাৰুণিক গুৰুদেৱে নৱবিধ ভক্তি অনুষ্ঠান কৰি, আনক সেই ভক্তি মাৰ্গত প্ৰবৰ্ত্তাই মানৱ লীলা সম্বৰণ কৰি বৈকুণ্ঠ প্ৰয়াণ কৰে। কোনো কোনোৰ মতে গুৰুৰ মৃত্যু শক ১৫০২। এই ভুল তলত লিখা শ্লোকটোৰ পৰা হৈছে।

শ্ৰীকৃষ্ণো নিজধাম গোহৰিল জনান্ দৃষ্টাতু পাপাশয়ান্।
সংধৰ্ম্ম প্ৰথনেচ্ছয়া কলিযুগে দামোদৰাখ্যোঽভৱৎ।

শাকে ত্ৰিমনু সখ্যায়া ত্ৰিগৰ্ণিতে ধৰ্মানজন্মানুগ্ৰাহয়ন্।
শাকে জলধৰবান চন্দ্ৰ গণিতেহগচ্ছৎ পুনৰ্ধামু ।।

এই শ্লোক মতে দামোদৰ দেৱৰ জন্মৰ শকটো হৈছে— "ত্ৰিমনু সখ্যায়া" ত্ৰিক্‌মানে ১০ আৰু মনু মানে ১৪ অৰ্থাৎ ১৪১০ শকত তেওঁৰ জন্ম, এই কথাটো ঠিক আছে। শ্লোক মতে মৃত্যু শক হৈছে "দ্যুমৰ. বান চন্দ্ৰ" অৰ্থাৎ ১৫০২ শক। দামোদৰক পৰীক্ষিত ৰজাই বিজয়পুৰলৈ ধৰাই নিয়ে, এইটো এটা ঐতি-হ্যাসিক সত্য আৰু পৰীক্ষিত ৰজা ৰাজ পাটত বহে ১৫১৫ শকত। সেইগুণে ১৫১৫ শকত ৰজা হৈ পৰী-ক্ষিতে ১৫০২ শকত গুৰুক বিজয়পুৰলৈ নিওৱা একেবাৰেই অসম্ভৱ কথা। কোনো কোনো ঠাইত এই শ্লোকটোৰ "দ্যুম্বৰ" পাঠটোৰ ঠাইত "খংকৰ" পাঠ আছে। খংকৰ পাঠ হলে তেওঁৰ মৃত্যু শক ১৫২০ হয় আৰু তেতিয়াহে পৰীক্ষিত ৰজাই বিজয় পুৰলৈ নিওৱা সম্ভৱ হয়। গুৰুদেৱে পৰলোক হোৱাৰ পাচৰপৰাই গুৰুৱা চাপৰ নাম বৈকুণ্ঠপুৰ হয় বুলি প্ৰবাদ আছে; ইয়াত গুৰুদেৱে সদায় পিন্ধা বেতৰ আলুৰ চুলা দিয়া পাদুকা জুৰি এৰি বৈকুণ্ঠ গামী হয়। গুৰুদেৱ পৰ-লোক হোৱাৰ ৩০ বছৰ আগেয়ে শঙ্কৰদেৱেও ইহধামৰ পৰা বিদায় লয়। বৰ্ত্তমান গুৰুদেৱৰ ভতিজাক কৃষ্ণাচাৰ্য্যৰ বংশধৰ কেইজন প্ৰান বৰাদি সত্ৰ ও অপৰাপৰ ঠাইত আছে৷

# সামৰণি ।

**ন্যায় পৰায়ণতা**

গুৰুদেৱে নিজ ভতিজা কৃষ্ণাচাৰ্য্যক উপযুক্ত গুণ নথকা বাবে তেওঁক অধিকাৰী নাপাতি ভটুদেৱক পতাৰ পৰাই জানিব পাৰি যে, গুৰুদেৱ অতিশয় ন্যায় পৰায়ণ আছিল। ন্যায়ৰ হকে তেওঁ নিজৰ প্ৰাণকো তুচ্ছ জ্ঞান কৰিছিল। তাৰ প্ৰমাণ স্বৰূপে দেখুৱাব পাৰি যে, গুৰুৱে যি ভগবদ্ভক্তিক সত্য জ্ঞান কৰি লোকক শিক্ষা দিছিল; সেই সত্য এৰাতকৈ জীৱন এৰাই শতগুণে শ্ৰেষ্ঠ বুলি বিবেচনা কৰিছিল। এই কাৰণেই গুৰুৱে সত্য নেৰো বুলি কৈ নিজৰ জীৱন দিবলৈ পৰীক্ষিত ৰজাৰ আগলৈ আগ বাঢ়ি গৈছিল। ইয়াৰ পৰাই জানিব পাৰি গুৰু এজন অতি-শয় সৎসাহসী আছিল।

গুৰুৰ সৎচৰিত্ৰ গুণত দুৰ্দ্দমনীয় লোকসকলৰ মনো পমি গৈছিল। তলত দিয়া পদ দুফাকিৰ পৰাই এই কথা কটকটীয়াকৈ বুজিব পাৰি।

কাটি মাৰি বশ যাক কৰণ নাযায়।
হেন সবো দামোদৰ আগে মোহ যায়।

(গুৰুলীলা)

আত্ম সংজম গুণত গুৰু অতিশয় আদৰ্শ পুৰুষ আছিল। কিয়নো ভৰ যৌৱন অৱস্থাতে গুৰুৰ পত্নী

বিয়োগ হয়; কিন্তু পত্নী মৰা দিন ধৰি গুকৰে ; ঈশ্বৰত বাহিৰে আইন কথাত অলপো মন দিয়া নাছিল। গৃহ সুখৰ কথাই সেই দিন ধৰি গুকৰ সমীপ চাপিব পৰা নাছিল।

উদৰতা গুণতো গুক অদ্বিতীয় আছিল। আন জাতিৰ হাতে এখন কতা তামোল খাবলৈ ঘৃণা কৰা ব্ৰাহ্মণৰ ঘৰত জন্মিও গুকৰে, মানুহ হৈ উচ্চ জাতি বুলি ভাবি আচাৰ বিচাৰত শুদ্ধ মানুহকো নীচ জাতি বুলি ঘৃণা কৰা এই নীচ ভাব পৰিত্যাগ কৰি, ডাঙৰ সক জাতি অজাতি নিৰ্বিচাৰি ভোট যবন আদি অসভ্য জাতিকো পৰমেশ্বৰৰ নাম ধৰ্ম্ম দান কৰিছিল। তলত দিয়া পদকেই ফাকিয়ে তাৰ প্ৰমাণ।

উদাৰতা

বজাৰ কুমাৰ বৰ বকয়া ছিন্তৰ।
তেলি মালি কমাৰ কুমাৰ নিৰন্তৰ॥
বনীয়া চৰাল নট নৰ্ত্তকী প্ৰভৃতি।
হৰিত সমুখ ভৈলা চাৰি বিধ জাতি॥
স্ত্ৰী, বৈশ্য, শূদ্ৰ সবে হৰি পৰায়ণ।
কৰিলন্ত যাতে প্ৰভু হৰি নিয়গণ॥

গুকৰ দেহৰ গঠন আৰু শাৰীৰিক সৌন্দৰ্য্য সম্বন্ধে খোৱা বন্ধুত এইদৰে লেখিছে :—

গুৰুৰ গঠন :—

"সত্য গুৰু শান্ত বিপ্র তনু গৌৰ পাপহাৰ দেখায়া পুনু
জীৱৰ স্বৰূপ দেখাইলা মহা যতনে।"

গুৰুদেৱে এখি যোৱা বেতৰ আলুৰ চুলা দিয়া খৰম জোৰৰ এপাত গুৰুৰ বংশধৰ শ্ৰীযুত গোবিন্দ দেৱ গোস্বামীয়ে কামৰূপলৈ আনিছে। সেই খৰম পাত ১৪ ইঞ্চি দীঘল, আৰু পথালি হেনো ৬ ইঞ্চি। ইয়াৰ পৰাই জানিব পাৰি যে, গুৰু এজন স্থূলকায় পুৰুষ আছিল।

গুৰুৱে নিজে কিবা শাস্ত্ৰ ৰচনা কৰিছিলনে নাই তাক আমি ডাঠি কৰলৈ নোৱাৰোঁ। কিন্তু গুৰুৰ জীৱনী পাঠ কৰিলে জানিব পাৰি গুৰুৱে কৰি

ৰচনা

নাম লৰলৈ শাস্ত্ৰ ৰচনা নকৰি, কেৱল যাতে মানুহে গুৰুৰ প্ৰেমময় জীৱনৰ আদৰ্শলৈ শ্ৰৱন কীৰ্ত্তন আদি ধৰ্ম্মত প্ৰবৃত্ত হয়; তাকে মানুহক কাৰ্য্যৰ দ্বাৰাই দেখুৱাইছিল। আৰু তেওঁৰ পাচৰ মানুহে যাতে অতি সহজতে ভাগৱতৰ মৰ্ম্ম বুজিব পাৰে তেনে ভাবে সকলোৰে উপযোগী কৰি সংস্কৃত ভাঙি এখনি ভাগৱত ৰচনা কৰিবলৈ তেওঁ তেওঁৰ প্ৰিয় শিষ্য ভট্টদেৱক কৈছিল। গুৰুৰ এই ইঙ্গিত মতেই ভট্টদেৱে "কথা ভাগৱত" লিখিছিল। এই ভাগৱত লিখিয়েই ভট্টদেৱ "কবিৰত্ন" উপাধি পাইছিল। আৰু ভাগৱতত পাৰ্গত্ত দেখিয়েই মানুহে তেওঁক ভাগৱতাচাৰ্য্য নাম দিছিল। গুৰুৰ শক্তি বুজাবৰ নিমিত্তেই ভট্টদেৱে গন্ত গীতা, ৰত্নাৱলী, দামোদৰ সংবাদ আৰু ভক্তি বিবেক আদি

কেবা খনিও উৎকৃষ্ট গন্ত আৰু পন্ত পুঁথি ৰচনা কৰে। ভট্টদেৱৰ সখীয়েক গুৰুৰ প্ৰধান শিষ্য খুদিয়া সত্ৰৰ কবি ৰৰ গোপাল মিশ্ৰেও ঘোষা ৰত্ন নামে এখন সুন্দৰ পন্ত গ্ৰন্থ ৰচনা কৰে। খ্ৰীষ্ট, বৌদ্ধ, চৈতন্য আদি ধৰ্ম্ম পুৰুষসকলে যেনেকৈ কোনো শাস্ত্ৰ নিলিখিও ধৰ্ম্ম বিলাই ধৰ্ম্ম গুৰুনাম লৈছিল; গুৰুদেৱেও সেই পথকে লৈছিল

গুৰুদেৱে কেৱল সৃষ্টি স্থিতি প্ৰলয়ৰ অধিকাৰী একমাত্ৰ পৰম পুৰুষ নিৰাকাৰ ঈশ্বৰকহে পূজা অৰ্চ্চা কৰিছিল; আৰু শিষ্যসকলোকো সেই জন্ম-ধৰ্ম্মসম্বন্ধে কেৱে উপাসনা কৰিবলৈ শিক্ষা দিছিল।

গুৰুৱে শিষ্যবিলাকক কৈছিল, যেনেকৈ গছৰ মূলত পানী দিবলৈ এৰি ডাল পাতত দিলে গছ নাবাঢে সেই দৰে ঈশ্বৰক পূজা নকৰি আন দেৱ-দেৱীক পূজা কৰিলে তেওঁলোকে মুক্তি দিব নোৱাৰে।

জীৱহিংসা কৰি আন দেৱ-দেৱীক পূজা কৰাত তেওঁ সম্পূৰ্ণ বিৰোধি আছিল। যদিওবা দেশ কাল পাত্ৰভেদে ৰাজসিক বা সকামিলোকে দুৰ্গা পূজা কৰাত তেওঁ বাধা দিয়া নাছিল, তথাপি তেওঁ তাক সাত্বিক ভাবে নিৰামিষ পূজা কৰিবলৈ উপদেশ দিছিল। এবাৰ লক্ষ্মী-নাৰায়ণ ৰজাই পাঠা আদি জোগাৰ কৰি পূজাৰ কেনে-কুৱা নিয়ম তাক সুধিবলৈ বুলি গুৰুৰ ওচৰলৈ মানুহ পঠিয়াইছিল। গুৰুৱে দুচৰ আগত তলত দিয়া মতে সমাধান দিয়া বুলি গুৰু লীলাত আছে।

শুনি প্ৰভু শঙ্কৰ, শুনিয়োক বোলন্ত
শুনা ৰাজ দূতগণ।

বলি বুলি যত পূজা উপহাৰ
নৈবেদ্য দ্ৰব্য শোভন ॥
ধূপ দীপ গোন্ধ তাম্বুল চন্দন
এহিসে দ্ৰব্য পূজাৰ।
বাতো আছ ভক্ত শঙ্কৰ পাৰ্ব্বতী
নকৰে পাঠা চিকাৰ ॥

এই কথা শুনি লক্ষ্মীনাৰায়ণে তেতিয়াৰেপৰা সাত্বিক ভাবে পূজা কৰিছিল বুলি শুনা যায়। তাৰ বহুদিন পিচতহে তেওঁৰ বংশত আকৌ বলি দিয়া নিয়ম চলে।

গুৰুৱে ব্ৰাহ্মণাদি দ্বিজ জাতিক সন্ধ্যা বন্দনা আদি নৈত্য নৈমিত্তিক ক্ৰিয়া পৰিত্যাগ নকৰাকৈ পৰমেশ্বৰক উপাসনা কৰিবলৈ পাৰে বুলি কৈছিল। এই সম্বন্ধে তেওঁ ভট্টদেৱক এইদৰে আদেশ দি গৈছে।

ভাগৱত শাস্ত্ৰ তুমি আপুনি কৰিবা।
লোকক হৰিৰ ভক্তি উপদেশ দিবা ॥
ব্ৰাহ্মণৰ নিত্য নৈমিত্তিক নেৰুৱাবা।
আপুনিও স্নান সন্ধ্যা পূজা আচৰিবা ॥

কোনো কোনো পুথিত দেখা যায়, গুৰুৱে দ্বিজ জাতিৰ নিমিত্তে চাৰি নামৰ আৰু আন জাতিৰ নিমিত্তে তিনি নামৰ ব্যৱস্থা কৰিছে।:—

ব্ৰাহ্মণৰ চাৰি নাম শূদ্ৰাদিৰ তিনি।
................................... ॥
তিনি নামে মূল মন্ত্ৰ প্ৰণামেসে চাৰি।
প্ৰমাণ কৰিবা সবে পুস্তক বিচাৰি ॥

গুৰুদেৱে বংশী গোপালক শৰণ দিবৰ সময়ত এই-দৰে উপদেশ দিছিল :—

সন্ত গুৰু সমে ঈশ্বৰক ভিন্ন
নকৰিবা কদাচিত।
হৰি নামে ৰতি ভকতৰ প্ৰীতি
কৰিবা একান্ত চিত ॥
ভক্তি ভক্ত জানা ভগৱন্ত এক
বস্তু কৰিবাহা সাৰ।
এহি শিক্ষা ধৰি ধৰ্ম্ম আচৰিবা
নাহি বস্তু আত পৰ ॥

শুকদেৱে জীৱন লীলা সামৰিবৰ সময়ত ভকত সক-
লক এইদৰে উপদেশ দিছিল :—

ৰাজা প্ৰজা বৈষ্ণৱ বিপ্ৰৰ বন্ধি মন।
প্ৰণতিক নেৰিবাহা শ্ৰৱন কীৰ্ত্তন ॥
এক প্ৰআলীক হুয়া কৰিবা ভকতি।
কদাচিত নেৰোঁ আমি তোবাৰ সঙ্গতি ॥ (গুৰুলীলা)

নেৰিবা শাস্ত্ৰৰ নীতি হৈবা ক্ষমাৱন্ত আতি
সমস্তে প্ৰাণীক কৰা দয়া।
সত্য শৌচ ধৰ্ম্ম ধৰি মনতে জপিবা হৰি
তেবে নৰাজিবে বিষ্ণু মায়া ॥
কাম মৰ্ম্ম অহঙ্কাৰ হিংসা নিন্দা খল আৰ
ইসবক কৰা পৰিহাৰ।
নিন্দকৰ নিন্দা শুনি দুষ্টৰ কঠোৰ বাণী
তাহাক ক্ষমিবা শতবাৰ ॥
সুখ দুখ পৰিহৰি শোক ৰজ পৰিহৰি
আত্মাৰূপ হৈবাহা সবাত।
জানো সব মহাজ্ঞান দামোদৰ ভগবাম
কহিলন্ত কৰিয়া মুগুত ॥ (ভৱিষ্যত পুৰাণ)

গুরুই শিষ্যক দিবলগীয়া শিক্ষা এই খিনিয়েই যথেষ্ট। এই পৃথিবীত সকলো ধৰ্ম্মৰে মূল শিক্ষা এই খিনিহে। যেই শিক্ষা এনে শিক্ষা পোৱা যাবে আজি অসমীয়াই তেওঁক শত সহস্র বাৰ ধন্যবাদ দিবলগীয়া কথা।

গুরুদেৱ আৰু শঙ্কৰ দেৱৰ মাজত যে, আত্মীয় ভাৱ আছিল, তাক আগেয়ে শঙ্কৰ দেৱৰ জগত বন্ধুৰ কোৱা হৈছে। আমাৰ মানুহে কথাতে কয়, "হৰি হৰৰ ভিন পৰ নাই।" এই কথা গুরুদেৱ আৰু শঙ্কৰ দেৱত খাতে। এওঁলোক দুয়ো-জন হৰি হৰ আত্মা স্বৰূপ আছিল। গুরু লীলাত গুরু-দেৱে শঙ্কৰ দেৱক এইদৰে কোৱা বুলি উল্লেখ আছে :—

তোমাক আমাক ভিন্ন কৰে যিটো জন।
নৰকত থিতি হৈব স্বৰূপ বচন।।
তযু ভক্ত আমাৰ হৈবেক অনুগত।
আমাৰ ভকত হৈবো তযু অনুগত॥

এই পদ কেইফাকিৰ পৰাই জানিব পাৰি শঙ্কৰদেৱ আৰু দামোদৰ দেৱৰ ধৰ্ম্ম মত একে। কিন্তু দুখৰ বিষয় আজি আমি তেওঁলোকৰ শিষ্যহঁতে বুজাত ভুল কৰি শঙ্কৰ দেৱৰ মতাবলম্বী সকলে দামোদৰ দেৱক আৰু দামোদৰ দেৱৰ মতাবলম্বী সকলে শঙ্কৰ দেৱক গুরু বুলিবলৈ লাজ পাওঁ। ইয়াতকৈ দুখৰ বিষয় আৰু কিবা হব পাৰেনে ? পৰস্পৰৰ এই ঘৃণা ভাব দূৰ নহলে আমি কেতিয়াও [illegible] আগ বাঢ়িব নোৱাৰিম।

—সমাপ্ত—